**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-03-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী প্ৰাৰ্থী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কয়, যে ২০২১ চনৰ পৰা বৰ্তমানলৈকে মেধাৰ ভিত্তিত এক লাখ ৫৮ হাজাৰ ৩৮০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। ড০ শৰ্মাই এই অনুষ্ঠানতে স্বাগত সতীৰ্থ প'ৰ্টেলৰ দ্বিতীয় পৰ্যায়ৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰ বিতৰণ কৰি পূৰ্বৰ তুলনাত বৰ্তমান বদলিকৰণ প্ৰক্ৰিয়াও যথেষ্ট সৰল হৈ পৰিছে বুলি মন্তব্য কৰে।

**বাইট (চি এম)**

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বন বিভাগৰ বাবে ১৪৩ খন নতুন বাহন মুকলি কৰে। এই পদক্ষেপে বন নিৰীক্ষণ কাৰ্যত বিশেষভাৱে সহায় কৰি ৰাজ্যখনৰ বৰ্ণাঢ্য জৈৱ বৈচিত্ৰৰ সুৰক্ষা বৃদ্ধি কৰাৰ লগতে এখন স্বচ্ছ আৰু সেউজ অসম গঢ়াৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক পূৰণ কৰিব বুলি আশা কৰা হৈছে।

০০০০

গুৱাহাটী মহানগৰৰ যানজঁট নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভৰলুমুখৰ দীনেশ গোস্বামী উৰণ সেতুখন উদ্বোধন কৰে। লোকনিৰ্মাণ বিভাগ আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ উদ্যোগত মুঠ ৯৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখনে ৰে'ল লাইনৰ ওপৰেৰে নিৰৱচ্ছিন্নভাৱে যান-বাহনৰ চলাচল সুনিশ্চিত কৰাৰ উপৰি ৰে'ল ক্ৰছিঙত দুৰ্ঘটনা তথা বায়ু আৰু শব্দ প্ৰদূষণ হ্ৰাস কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য বৰ্ধনৰ দিশত নৱতম সংযোজন হিচাপে শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন কৰাৰ লগতে পাণবজাৰত ব্ৰহ্মপুত্ৰ নদীপাৰ উদ্যানৰ সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰে। ড০ শৰ্মাই কয় যে ১৩২ গৰাকী বীৰৰ নাম খোদিত কৰণেৰে আহোম স্থাপত্য আৰ্হিত নিৰ্মাণ কৰা এই স্মৃতিসৌধই অসমৰ ইতিহাসক পৰৱৰ্তী প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ উপৰি গৱেষণাৰ ক্ষেত্ৰতো সমল যোগান ধৰিব।

০০০০

ধেমাজিত কাইলৈ বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা উলিওৱা হ'ব। গোগামুখৰ পৰা এই যাত্ৰা ধেমাজি, চিচিবৰগাঁও হৈ জোনাই বিধানসভা সমষ্টিত অন্ত পৰিব। এই উপলক্ষে আজি বিজেপিৰ ধেমাজি জিলা সমিতিৰ

কাৰ্যালয়ত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাংসদ প্ৰদান বৰুৱা প্ৰমুখ্যে বিজেপি মিত্ৰজোঁটৰ জিলা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এখন সংবাদমেলত ভাগ লয়। ডাঃ পেগুৱে উন্নয়ন, সু-শাসন আৰু জন কল্যাণৰ ধাৰা অব্যাহত ৰখাৰ বাবে এই যাত্ৰাত সকলো নাগৰিকক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

জন আশীৰ্বাদ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত ধেমাজি আৰক্ষীয়ে কাইলৈ যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ধেমাজি, গোগামুখ আৰু লখিমপুৰ অভিমুখী জোনাই আৰু চিলাপথাৰৰ ফালৰ পৰা অহা বাহনসমূহ পুৱা ৮ বজাৰ পৰা কোলাজান-ঢকুৱাখনা সংযোগী পথেৰে যাবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে গোগামুখৰ পৰা ধেমাজি, জোনাই আৰু চিলাপথাৰলৈ যোৱা বাহনসমূহক ঢকুৱাখনা পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইপিনে আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণৰ বাবে অহা লোকসকলক তেওঁলোকৰ বাহনসমূহ আন্তঃজিলা বাছ আস্থান, তেলিজান ডি আৰ ডি এ চৌহদ, ধেমাজি ক'ৰ্ট ফিল্ড, ধেমাজি মহাবিদ্যালয়ৰ খেলপথাৰ, পুৰণি বাছ আস্থান আৰু ৰং ছটিওৱা পথাৰকে ধৰি নিৰ্ধাৰিত স্থানত পাৰ্কিং কৰিবলৈ কোৱা হৈছে।

০০০০

মণিপুৰত নৱ নিযুক্ত মন্ত্ৰী পৰিষদৰ সদস্যসকলক আজি বিভিন্ন বিভাগৰ দায়িত্ব অৰ্পন কৰা হয়। নৱ নিযুক্ত দুয়োগৰাকী উপ মুখ্যমন্ত্ৰী আৰু আন দুগৰাকী মন্ত্ৰীক পৃথক পৃথক বিভাগৰ দায়িত্ব দিয়া হয়। উপ মুখ্যমন্ত্ৰী নেমচা কিপজেনক জনজাতীয় পৰিক্ৰমা আৰু পাৰ্বত্য  বিভাগৰ উপৰি গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ বিভাগৰ দায়িত্ব অৰ্পন কৰা হয়। আনজন উপ মুখ্যমন্ত্ৰী লোচি দিখোক জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু বন, পৰিবেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ দায়িত্ব দিয়া হয়। কন্থৌজান গোবিন্দ দাসক গৃহ বিভাগ আৰু যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ দায়িত্ব দিয়াৰ বিপৰীতে খুৰাইজাম লোকেনক কলা আৰু সংস্কৃতি বিভাগ তথা পৰ্যটন বিভাগৰ দায়িত্ব দিয়া হয়। যোৱা মাহত য়ুমনাম খেমচান্দে মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পাছতে মন্ত্ৰীসকলৰ মাজত বিভিন্ন বিভাগৰ দায়িত্ব ভগাই দিয়া হৈছে।

০০০০

আইচিচি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই - নিউজিলেণ্ডক জয়ৰ বাবে ১৭০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

আমালৈ বাতৰি অহাৰ পৰলৈ নিউজিলেণ্ডে ৬ অভাৰত  এটাও উইকেট নেহেৰুৱাকৈ ৮৪ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৬৯ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মাৰ্কো জেনচেনে সৰ্বাধিক ৫৫ ৰান কৰে। নিউজিলেণ্ডৰ মেট হেনৰী, কোল মেকনচি আৰু ৰাছিন ৰবীন্দ্ৰাই দুটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত কাইলৈ দ্বিতীয়খন ছেমি ফাইনেলত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ভাৰত আৰু ইংলেণ্ড মুখামুখি হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ